জাতিৰ আৱেগ সমাজৰ বিৱেক

দৈনিক জনমভূমি

Portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

বিংশতিতম বছৰ, সংখ্যা ২০ ● শুকুৰবাৰ ● ৭ আহিন ● ১৯৪৮ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Friday September 25, 2026 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰপৰা

কা মূল ব্যক্তিসকলক চিনাক্ত কৰি
ন কৰাৰ লগতে অসম চৰকাৰক
য় কৰাৰ সমান্তৰালকৈ নৱপ্ৰজন্মক
পৰা ৰক্ষা কৰিবলৈ জিলাখনৰ
ঠনে দাবী জনাইছে। ৰাইজে
অনুসৰি, জিলা আৰক্ষী আৰু
বিষয়াৰ চকুৰ সন্মুখতে জিলাখনৰ
ঞ্চলত চলিছে চুলাই আৰু অবৈধ
্যৱসায়। একাংশ প্ৰভাৱশালী সুৰা
সুৰাৰ বিপণীৰ গৰাকীয়ে চহৰৰ
াঁওবোলৈকে চুলাইৰ লগতে বিদেশী
নেক লোকক বিক্ৰী কৰাৰ সুযোগ
সোণাৰি নগৰত থকা আৰক্ষী
নায়ৰ সমীপতে একাংশ লোকে
সায় অব্যাহত ৰাখিছে। নগৰৰ
অন্তৰ্গত দোকানে-বজাৰে সুৰা
ভিন্ন পক্ষক মেনেজ কৰি সুদীৰ্ঘ
ৰাৰ ৰমৰমীয়া ব্যৱসায় অব্যাহত
পৰা পুৱতি নিশালৈকে উক্ত
ত্ত লোকৰ অশ্লীল মাত-কথা,
লোক শান্তিৰে থাকিব নোৱাৰা
ছে। সোণাৰিৰ ভালেসংখ্যক
আৰম্ভ কৰি ধৰ্মীয় অনুষ্ঠানৰ
ভিন্ন স্থানত সুৰাৰ মুকলি বেহা

নাধৰা

শংকৰদেৱে গঢ়া অসমীয়া সমাজ এতিয়া নাই : ড° শশীকান্ত শইকীয়া

ডিগবৈ ঃ নিজা সংবাদদাতা, ২৪ ছেপ্টেম্বৰ ঃ শ্ৰীমন্ত শংকৰদেৱে গঢ়া বৃহত্তৰ অসমীয়া সমাজখন এতিয়া নাই— এই মন্তব্য ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, লেখক ড° শশীকান্ত শইকীয়াৰ। ডিগবৈৰ ১৯ টা নামঘৰে একত্ৰিত হৈ গোলাই মিলনপুৰ নামঘৰত আয়োজন কৰা ৫৭৮-সংখ্যক শংকৰদেৱৰ জন্মোৎসৱৰ আজি অন্তিম দিনাৰ মুকলি সভাত ড°শশীকান্ত শইকীয়াই শ্ৰীমন্ত শংকৰদেৱৰ সেই শান্তি-ঐক্য, একতা, মিলাপ্ৰীতি আৰু ভাষা-সংস্কৃতি প্ৰায় নোহোৱা বুলি উদ্বেগ প্ৰকাশ কৰে। শংকৰদেৱৰ আত্মনিৰ্ভৰশীল অসমীয়া সমাজৰ আদৰ্শৰ পৰা আজি অসমীয়া বিচ্ছিন্ন হ'বলৈ ধৰিছে বুলিও আক্ষেপ প্ৰকাশ কৰে। জিণ্টিময়ী ভৰালী দাসে এটি বৰগীত পৰিৱেশনেৰে শুভাৰম্ভ কৰা মুকলি সভাখনত সভাপতিত্ব কৰে আয়োজক সমিতিৰ সভাপতি অজিত সোণোৱালে। সাধাৰণ সম্পাদক অমৃত দত্তই সূচনা কৰা মুকলি সভাখন উদ্বোধন কৰে সাহিত্যিক পেঞ্চনাৰ পুণ্য শইকীয়াই। সভাত কাৰ্যকৰী উপদেষ্টা দ্বিপেন কুমাৰ বড়া, কাৰ্যকৰী সভাপতি জিতেন দত্ত, অৰ্ভ্যথনা সমিতিৰ সভাপতি হৰিকান্ত বৰগোহাঁই, সাধাৰণ সম্পাদক পদুম খাকলাৰী, কোষাধ্যক্ষ পৰাণ খনিকৰসহ বহু গণ্য-মান্য ব্যক্তি, স্থানীয় ভকত-বৈষ্ণৱ, আইসকল উপস্থিত থাকে। মুকলি সভাত ডিগবৈ সমাজ জীৱনলৈ আগবঢ়োৱা বিশিষ্ট সেৱাৰ বাবে অৰূপ গোস্বামী, ৰাম নিৰলা, ধৰ্মেশ্বৰ কাকতী, যতীন গগৈ, বিতুল শইকীয়া, ৰিজু ভট্টাচাৰ্য, ৰেণুপ্ৰভা বৰগোহাঁইক সম্বৰ্ধনা জনোৱা হয়। অভ্যৰ্থনা সমিতিৰ সভাপতি হৰিকান্ত বৰগোহাঁয়ে আদৰণী ভাষণ প্ৰদান কৰাৰ পাছতেই আয়োজক সমিতিৰ সাধাৰণ সম্পাদক অমৃত দত্তই ৫৭৮ সংখ্যক জন্মোৎসৱ পালন সমিতিৰ কাৰ্যক্ৰমণিকা পাঠ কৰে। ইয়াৰ মাজতে ডিগবৈৰ এগৰাকী যুৱতী সমাজকৰ্মী ধৰিত্ৰী বৰবৰুৱাই এটি কামৰূপীয়া লোকগীত পৰিৱেশন কৰে। ডিগবৈ শংকৰ জন্মোৎসৱৰ প্ৰতিবছৰে প্ৰকাশ পোৱা স্মৃতিগ্ৰন্থ প্ৰণিপাতৰ একত্ৰ সংকলন উন্মোচনী সভাখনৰ আঁত ধৰে জোনালী বুঢ়াগোহাঁয়ে। প্ৰণিপাত একত্ৰ সংকলনখন উন্মোচন কৰে সাহিত্যিক পুণ্য শইকীয়া আৰু বিশিষ্ট অতিথি ড° শশীকান্ত শইকীয়াই। ডিগবৈ অসম তেল সংমণ্ডলৰ কৰ্মচাৰী, বিশিষ্ট কবি, ভাওনা সংস্কৃতিৰ প্ৰশিক্ষক দ্বিপেন কুমাৰ বড়াই তেওঁৰ দীঘদিনীয়া প্ৰচেষ্টাৰে সম্পাদনা কৰি প্ৰকাশ কৰি উলিওৱা ৮০০ পৃষ্ঠাৰ প্ৰণিপাত একত্ৰ সংকলনখন ভৱিষ্যৎ প্ৰজন্মৰ বাবে এক অমল সম্পদ ৰূপে সংৰক্ষিত হৈ ৰ'ব বুলি আয়োজক সমিতিয়ে ব্যক্ত কৰে। নিশালৈ শিৱসাগৰ শ্যামকানু নাট্যগোষ্ঠীৰ দ্বাৰা ভাওনা প্ৰদৰ্শনেৰে কাৰ্যসূচীৰ সফল সমাপ্তি ঘটে।

ডিব্ৰুগড়ত প্ৰকল্প' গোচৰ

বিধানসভা নিৰ্বাচনৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° হিমন্ত
নিৰ্বাচনত জয়ী হোৱাৰ পাছতে অসমৰ ছয়
জনজাতিকৰণৰ বিষয়টো আগবঢ়াই নিয়াৰ প্ৰতি
কিন্তু নৱগঠিত চৰকাৰখনে বৰ্তমানলৈকে জন
ক্ষেত্ৰত কোনো পদক্ষেপ গ্ৰহণ নকৰাত আক্ষেপ

৩১৫ নং ৰাষ্ট্ৰীয় ঘাইপ

লেখাপানী ঃ নিজা প্ৰতিবেদক, ২৪ ছেপ্টেম্বৰ ঃ
পৰা বৰগোলাই লিডু হৈ জাগুনলৈ ৩১৫ নং ৰা
সমাধানৰ ক্ষেত্ৰত আজি পৰ্যন্ত কোনো কাৰ্যকৰী
নাই। ফলত ৰাষ্ট্ৰীয় ঘাইপথছোৱাৰ ভিন্ন অংশ
বাবে অতিকৈ বিপদসংকুল হৈ উঠিছে। ৮৩
৩১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ বিধ্বস্ত ৰূপটো দে
সমূহৰ বিপদ সংকুল অংশৰ চিনাক্ত কৰণকে
ৰাষ্ট্ৰীয় ঘাইপথৰ যাতায়াত সুৰক্ষাৰ ক্ষেত্ৰত ব
সভাসমূহ কেৱল কাগজ- কলমতে সীমাবদ্ধ থ
ইপিনে দিনক দিনে বিধ্বস্ত হ'বলৈ ধৰিছে মাঘে
ঘাইপথৰ ভিন্ন অংশ। আজিৰ তাৰিখত সমজিলা
ক্ৰছিং গে'টৰ দুয়োফাল, লিডু ৰে'ল ষ্টেছনৰ সমী
যাতায়াতৰ বাবে অতিকৈ বিপজ্জনক হৈ উঠিছে।
দুয়োফালৰ ৰাষ্ট্ৰীয় ঘাইপথছোৱাৰ বিধ্বস্ত অৱস্থা
পৰা লৈ এই অংশখিনিত যান-জটৰ সৃষ্টি হৈ আ
অভিভাৱক মন্ত্ৰী ৰামেশ্বৰ তেলী, ৮৩ নং মাৰ্ঘেৰি
বিধায়ক ভাস্কৰ শৰ্মাকে ধৰি জনপ্ৰতিনিধি, প্ৰশাস
দেখিও নেদেখাৰ ভাও ধৰি অহা কাৰ্যই ৰাইজক